participation, conservation, empowerment, livelihood security

ASSAM PROJECT ON FOREST & BIODIVERSITY CONSERVATION

afd AGENCE FRANÇAISE DE DÉVELOPPEMENT

# ২নং বাপাপুং পৰিৱেশ উন্নয়ন সমিতি (ইডিচি)

ডিগবৈ বন সংমণ্ডল

DIVISIONAL FOREST OFFICER * DIGBOI DIVISION *

# ক্ষুদ্ৰ পৰিকল্পনা

(২০১৬-১৭ৰ পৰা ২০২৫-২৬ লৈ)

**২নং বাপাপুং পৰিৱেশ উন্নয়ন সমিতি (EDC)ৰ দ্বাৰা প্ৰস্তুত**

**সহায়কাৰী**

অসম বন বিভাগ

আৰু

ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কম্পেল', COMPELO)

**[ আই আই ই (IIE) আৰু আৰ জি ভি এন (RGVN) ]**

**জুন, ২০১৭**

অনুমোদন কৰা হ'ল,

Divisional Forest Officer
Digboi Division, Digboi
Tinsukia, Assam.

## ১ ঃ ভূমিকা

| | |
|---|---|
| **প্ৰকল্প সম্পৰ্কে** | অসম বন আৰু জৈৱ-বৈচিত্র্য সংৰক্ষণ প্ৰকল্প (আছাম প্ৰজেক্ট অন্ ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন)ৰ উদ্দেশ্য হৈছে— 'নিৰ্দিষ্ট এলেকাৰ বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ অংশগ্ৰহণেৰে আৰু বনজ আৰু বনজবহিৰ্ভূত সম্পদৰ বহনক্ষম ব্যৱহাৰৰ জৰিয়তে তেওঁলোকৰ জীৱিকা সুনিশ্চিত কৰিবলৈ বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে বহুমুখী সুসংহত পৰিকল্পনাৰে অসমত স্থিতিশীল বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ আৰু পৰিচালনৰ ব্যৱস্থা কৰা।' প্ৰকল্পটোৰ লক্ষ্য হৈছে— 'বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ সহযোগত তেওঁলোকৰ জীৱিকা আৰু জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু স্থিতিশীল ব্যৱহাৰৰ জৰিয়তে বনাঞ্চল সংৰক্ষণ আৰু পৰিৱেশতন্ত্ৰক পুনৰুদ্ধাৰ কৰা।'<br><br>এই প্ৰকল্পটোলৈ আৰ্থিক অনুদান আগবঢ়াইছে এজেন্সী ফ্ৰান্সিজ ডি ডেভেলপমেণ্ট অৰ্থাৎ ফ্ৰান্স ডেভেলপমেণ্ট এজেন্সীয়ে। সহযোগ কৰিছে অসম চৰকাৰে। প্ৰকল্পটোৰ পৰিকল্পনা, ৰূপায়ণ, নিৰীক্ষণ, সমন্বয় আৰু ব্যৱস্থাপনাকে ধৰি সকলো কামৰ দায়িত্বত আছে আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন ছ'চাইটী। |
| **ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়ন** | বজাৰৰ সম্ভাৱনীয়তাভিত্তিক মূল্য সংযোজনৰ জৰিয়তে জীৱিকাৰ কাম-কাজ উন্নত কৰিবলৈ প্ৰকল্পটোত উদ্যোগমূলক বিকাশ, উৎপাদিত সামগ্ৰীৰ প্ৰক্ৰিয়াকৰণৰ জৰিয়তে মূল্য সংযোজন আৰু বিপণনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে বনজ সম্পদ ওপৰত বৃদ্ধি পোৱা হেঁচাৰ পৰিপ্ৰেক্ষিতত এনে পদক্ষেপ জৰুৰী হৈ পৰিছে। বজাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমানে উপলব্ধ বনজ আৰু জৈৱ-বৈচিত্ৰ্য সামগ্ৰী আৰু সেৱাসমূহত মূল্য সংযোজনৰ উপায় উদ্ভাৱন কৰাটো প্ৰয়োজন হৈ পৰিছে। তদুপৰি, বনাঞ্চলভিত্তিক জীৱিকাৰ বাহিৰে জীৱিকাৰ অন্য পথ বিচাৰি উলিওৱা আৰু দক্ষতা বিকাশ পদক্ষেপৰ জৰিয়তে সম্প্ৰদায়ৰ সদস্যসকলৰ সক্ষমতা বৃদ্ধি কৰাও দৰকাৰ।<br><br>প্ৰকল্পটোৰ অধীনত ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়নৰ কাৰ্যসূচী ৰূপায়ণৰ বাবে ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰাপ্ৰিনিঅ'ৰশ্বিপ, আই আই ই), গুৱাহাটী আৰু ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (আৰ জি ভি এন), আৰু 'চেণ্টাৰ ফৰ মাইক্ৰ' ফাইনেন্স এণ্ড লাইভলিহুড' (চি এম এল)ক লৈ এখন সমিতি গঠন কৰা হৈছে। এই সমিতিখনৰ নাম দিয়া হৈছে— ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেন্সিং লাইভলিহুড অপৰ্চুনিটিজ)' চমুকৈ কম্পেল'।<br><br>প্ৰকল্পটোৰ নিৰ্দেশনা মতে এই ক্ষুদ্ৰ পৰিকল্পনাত অন্তৰ্ভুক্ত হৈ আছে 'গাঁও আৰু বন বিভাগৰ বিভিন্ন অভিযান... বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সদস্যক জীৱিকাৰ ক্ষেত্ৰত সহায় কৰা আৰু স্থিতিশীল বন ব্যৱস্থাপনাক এক প্ৰসাৰিত লক্ষ্য হিচাপে গণ্য কৰা।' বন উন্নয়ন আৰু জীৱিকা উন্নয়ন উভয় লক্ষ্যকে এই প্ৰকল্পত সামৰি লোৱা হৈছে। |
| **২নং বাপাপুং ই ডি চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা** | অসমৰ তিনিচুকীয়া জিলাত অৱস্থিত ২নং বাপাপুং ই ডি চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা এই নথিত আগবঢ়োৱা হৈছে। ২নং বাপাপুং ই ডি চি ডিগবৈ বন সংমণ্ডলৰ অধীনস্থ ডিগবৈ বনাঞ্চলিক প্ৰশাসনৰ অন্তৰ্গত। এই ক্ষুদ্ৰ পৰিকল্পনা গাঁওখনত বাস কৰা সম্প্ৰদায়সমূহৰ পুৰুষ আৰু মহিলাসকলৰ সদস্যৰ অংশগ্ৰহণৰ ভিত্তিত প্ৰস্তুত কৰা হৈছে। |

| | |
|---|---|
| | ২০১৬ চনৰ জুন মাহত 'চেণ্টাৰ ফৰ মাইক্ৰ' ফাইনেন্স এণ্ড লাইভলিহুড' (চি এম এল), গুৱাহাটীৰ বিষয়ববীয়া আৰু সম্প্ৰদায়টোৱে গ্ৰহণ কৰা অংশগ্ৰহণমূলক গ্ৰাম্য পৰিমাপ (পি আৰ এ)ৰ জৰিয়তে এই নথি প্ৰস্তুত কৰা হৈছে। প্ৰকল্প নিৰ্দেশনা অনুসৰি চি এম এল-এ এই ক্ষুদ্ৰ পৰিকল্পনা সংযোজিত কৰিছে। এই পৰিকল্পনা গ্ৰহণৰ বাবে আলোচনা আৰু চূড়ান্ত কৰা হয় জুলাই, ২০১৬ চনত। |

## ২ ঃ গাঁৱৰ আৰ্থ-সামাজিক ৰূপৰেখা

| | |
|---|---|
| **অৱস্থিতি** | ২নং বাপাপুং ই ডি চি চাৰিখনখন গাঁও ক্ৰমে ২নং বাপাপুং, খেৰজান, ভীমপথাৰ আৰু খ্ৰীষ্টানবস্তিক লৈ গঠন কৰা হৈছে। এই ই ডি চিটো ডিগবৈ বন সংমণ্ডলৰ পৰা ৫ কিঃমিঃ দূৰত্বত অসমৰ তিনিচুকীয়া জিলাত অৱস্থিত।<br><br>গাঁৱৰ নিটৱৰ্তী চহৰ দুলিয়াজান আৰু ২নং বাপাপুং ইডিচিৰ মাজৰ দূৰত্ব ৫ কিঃমিঃ। জিলা মুখ্য কাৰ্যালয় তিনিচুকীয়া ২৭ কিঃমিঃ দূৰত্বত অৱস্থিত। ই তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা উন্নয়ন খণ্ডৰ অন্তৰ্গত।<br><br>**পৰিশিষ্ট-১ ঃ গাঁৱৰ মানচিত্ৰ আৰু জি আই এছ মানচিত্ৰ** |
| **ই ডি চিৰ মূল তথ্য** | ২নং বাপাপুং ই ডি চিৰ মূল তথ্য তলত উল্লেখ কৰা হ'ল। |

**তালিকা-ক ঃ ই ডিচিৰ মূল তথ্য**

| | |
|---|---|
| **ই ডি চিৰ নাম** | ২নং বাপাপুং পৰিৱেশ উন্নয়ন সমিতি |
| **গাঁও পঞ্চায়তৰ নাম** | গোলাই |
| **খণ্ড** | মাৰ্ঘেৰিটা |
| **জিলা** | ডিব্ৰুগড় |
| **বন সংমণ্ডল** | ডিগবৈ |
| **বনাঞ্চলিক** | ডিগবৈ |
| **বন লাট** | খেৰজান |
| **গঠনৰ বৰ্ষ** | ২০১৫-১৬ |
| **ই ডি চিৰ চাৰিসীমা** | তলত উল্লেখ কৰা ধৰণে ঃ |
| | উত্তৰ ঃ নাজিৰাটিং<br>দক্ষিণ ঃ ডিগবৈ<br>পুব ঃ আপাৰ দিহিং সংৰক্ষিত বনাঞ্চল<br>পুব ঃ ঐৰাৱত ধাননি পথাৰ |
| **মুঠ পৰিয়াল** | ২০০ |
| **ই ডি চি গাঁৱৰ সংখ্যা** | ৪ |

**উৎস** ঃ ই ডি চিৰ তথ্য আৰু ২০১৬ চনৰ জুনত অনুষ্ঠিত পি আৰ এ অনুশীলনৰ সময়ত হোৱা আলোচনা।

অতিৰিক্ত বৰ্ণনা তথ্য-Iৰ তালিকা-১ত প্ৰদান কৰা হৈছে। (পৰিশিষ্ট তালিকাত)

<table>
<tr>
<td>কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৰৰণ</td>
<td>
ই ডি চিৰ কাৰ্যনিৰ্বাহক সমিতি আৰু সাধাৰণ সভাৰ সংক্ষিপ্ত বিৰৰণ তলৰ তালিকাত দিয়া হ'ল।<br><br>
তালিকা-খ ঃ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৰৰণ
<table>
<tr><td>সভাপতিৰ নাম</td><td>হেমন্ত বুঢ়াগোঁহাই</td></tr>
<tr><td>সম্পাদকৰ নাম</td><td>অৰুণ কুমাৰ হাজৰিকা</td></tr>
<tr><td>কাৰ্যকৰী সমিতিৰ সদস্য সংখ্যা</td><td>পুৰুষ ঃ ১১<br>মহিলা ঃ ৭<br>মুঠ ঃ ৪</td></tr>
</table>
উৎস ঃ ই ডি চিৰ তথ্য।
</td>
</tr>
<tr>
<td>পৰিয়াল আৰু জনসংখ্যা গাঁথনি</td>
<td>
এই ই ডি চিৰ চাৰিখন গাঁও ক্ৰমে দুই নং বাপাপুং, খেৰজান ভীমপথাৰ আৰু খ্ৰীষ্টানবস্তিত বাস কৰা মুঠ পৰিয়ালৰ সংখ্যা হৈছে ২০০টা। মুঠ জনসংখ্যা হৈছে ৬৫৭জন। হিন্দু হ'ল প্ৰধান ধৰ্ম আৰু বাসকৰা প্ৰধান সম্প্ৰদায়সমূহ হ'ল সোণোৱাল কছাৰী, বড়ো, আহোম, চিংফু আৰু আদিবাসী।<br><br>
জনসংখ্যাৰ প্ৰায় ৯০ শতাংশ অ' বি চি আৰু বাকীখিনি অনুসূচিত জনজাতি শ্ৰেণীৰ। প্ৰতিটো পৰিয়ালৰ গড় সদস্য সংখ্যা হৈছে ৫ আৰু লিংগ অনুপাত হ'ল ১০০০ পুৰুষৰ বিপৰীতে ৭৭৬গৰাকী মহিলা। পৰিয়াল সমীক্ষা তথ্যমতে, ৮৪ শতাংশ পৰিয়াল বিপিএল আৰু ৮২ শতাংশৰ চৰকাৰী ৰেচন কাৰ্ড আছে। ২৭টা পৰিয়ালৰ জবকাৰ্ড আছে। উপৰোক্ত বিষয়ত বিতং তথ্যৰ বাবে তথ্য-Iৰ তালিকা-২ দ্ৰষ্টব্য।
</td>
</tr>
<tr>
<td>শিক্ষা আৰু দক্ষতা বিকাশ</td>
<td>
ই ডি চি গাঁওসসূহত, সাক্ষৰতাৰ হাৰ প্ৰায় ৬৭ শতাংশ। গাঁওখনৰ অধিকাংশ লোকেই চতুৰ্থ শ্ৰেণী পৰ্যায়ৰ শিক্ষা লাভ কৰিছে। মাত্ৰ ৭ শতাংশহে উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ।<br><br>
বাপাপুং গাঁৱৰ সাক্ষৰতাৰ হাৰ ৭৫.১৩ শতাংশ, যিটো দুই নং ভীমপথাৰ, খেৰজান আৰু খ্ৰীষ্টানবস্তিতকৈ উন্নত।<br><br>
উপৰোক্ত বিষয়ত বিতং তথ্যৰ বাবে তথ্য-Iৰ তালিকা-৩ দ্ৰষ্টব্য।<br><br>
দুই নং বাপাপুং ই ডি চিৰ গাঁওসমূহত, গাঁওবাসী পৰম্পৰাগতভাৱে তলৰ ক্ষেত্ৰসমূহত দক্ষ ঃ<br><br>
ক) কৃষি— ১৩৪টা পৰিয়াল জড়িত।<br><br>
খ) হস্তশিল্প— ৩৫টা পৰিয়াল জড়িত।<br><br>
গ) বয়ন— ৮২টা পৰিয়াল জড়িত।<br><br>
ঘ) দিন মজদুৰ— ১৮টা পৰিয়াল জড়িত।<br><br>
ঙ) কাঠমিস্ত্ৰী— ৬টা পৰিয়াল জড়িত।<br><br>
উৎস ঃ ক্ষেত্ৰ সমীক্ষা
</td>
</tr>
</table>

| | |
|---|---|
| **মাটি** | অধ্যয়নত পোৱা গৈছে যে দুই নং বাপাপুং ইডিচি গাঁওসমূহৰ মাটি বিভিন্ন প্ৰকাৰৰ। ইয়াত তিনি প্ৰকাৰৰ মাটি উপলব্ধ। বালিয়া পলসুৱা, পলসুৱা আৰু আঠালেতীয়া পলসুৱা। ইয়াৰ ফলত ধান, সৰিয়হ, শাক-পাচলি আদিৰ খেতি ভাল হয়। মুঠ মাটিকালিৰ ৮২ শতাংশ কৃষি উপযুক্ত, ৭ শতাংশ উপযুক্ত নহয় আৰু ১১ শতাংশ কৃষিৰ বাবে উপলব্ধ নহয়। |
| **পানী** | ভূগৰ্ভৰ পানী খোৱাপানীৰ প্ৰধান উৎস। গাঁওবাসীৰ লগত আলোচনাৰ ভিত্তিত জনামতে, খোৱাপানীৰ পৰ্যাপ্ততা আৰু গুণগত মানৰ ক্ষেত্ৰত কোনো সমস্যা নাই। গোটেই বছৰজুৰি তেওঁলোকে উন্নতমানৰ খোৱাপানী লাভ কৰে। গাঁওসমূহত নদী বা জান-জুৰিও উপলব্ধ। গাঁবাসীয়ে তেওঁলোকৰ ঘৰুৱা ব্যৱহাৰত ইয়াৰ পানী ব্যৱহাৰ কৰে।<br>ইডিচিৰ মাজেৰে বৈ যোৱা ডিগবৈ নদী স্থানীয় প্ৰজাতিৰ মাছ যেনে ৰৌ, গ্ৰাছ কাৰ্প, মিছামাছ আদিৰ বাসস্থান। |
| **জলবায়ু, উষ্ণতা আৰু বৰষুণ** | সৰ্বোচ্চ তাপমাত্ৰা পৰিলক্ষিত হয় সাধাৰণতে জুলাই-আগষ্ট মাহত (৩৫° চেলচিয়াছ) আৰু সৰ্বনিম্ন তাপমাত্ৰা ডিচেম্বৰ-জানুৱাৰী মাহত (৭-৮° চেলচিয়াছ)।<br>আৰ্দ্ৰতা সাধাৰণতে পুৱাৰ ভাগত ৯০-৯৫ শতাংশ আৰু বিয়লি ৫০-৭০ শতাংশ। বতাহৰ গতিবেগ সাধাৰণ অৱস্থাত ৬০ কিঃমিঃ প্ৰতিঘণ্টাত।<br>অঞ্চলটোৰ জলবায়ু সাধাৰণতে উপ-গ্ৰীষ্মমণ্ডলীয় আৰ্দ্ৰ আৰু গৰমৰ দিনত গৰম আৰু আৰ্দ্ৰ আৰু ঠাণ্ডাৰ দিনত শুষ্ক ঠাণ্ডা বৈশিষ্ট্যৰ।<br>দুই নং বাপাপুং ইডিচিত বাৰ্ষিক বৰষুণৰ গড় পৰিমাণ হৈছে প্ৰায় ২৩০০-৩০০০ মিলিমিটাৰ। বাৰিষাৰ সময়ত গড়ে ৬৪-৬৮ শতাংশ বৰষুণ হয় (জুন-ছেপ্টেম্বৰ) আৰু প্ৰাক্-বাৰিষা (মাৰ্চ-মে') বছৰি গড়ে ২২-২৬ শতাংশ বৃষ্টিপাত নথিভুক্ত হৈছে। |
| **বন আৰু জৈৱ-বৈচিত্ৰ্য** | স্থানীয় বনাঞ্চলক বিস্তৃতভাৱে গ্ৰীষ্মমণ্ডলীয় আৰ্দ্ৰ চিৰসেউজ আৰু গ্ৰীষ্মমণ্ডলীয় অৰ্ধ চিৰসেউজ বনাঞ্চল হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে। দুই নং বাপাপুং ইডিচিৰ প্ৰধান বৃক্ষ প্ৰজাতিসমূহ হৈছে আজাৰ, বাদাম, বলা, উৰিয়াম, বোৱাল, শিমলু, চিডা, ৰাধাচূড়া, ধূপ-ধূনা, ডিমৰু, ঘোঁৰানিম, কৃষ্ণচূড়া, ভেলু আৰু চেগুণ।<br>দুই নং বাপাপুং ইডিচি গাঁৱত বিস্তৃত প্ৰকাৰৰ উদ্ভিদ আৰু প্ৰাণী উপলব্ধ, যিটোৱে সহজতে পৰ্যটকক আকৰ্ষণ কৰিব পাৰে আৰু সেয়েহে অঞ্চলটোত পৰিৱেশ-পৰ্যটন গঢ়ি উঠাৰ প্ৰৱল সম্ভাৱনীয়তা আছে। বৰ্ষাৰণ্যত থকা বিভিন্ন প্ৰকাৰৰ আপুৰুগীয়া উদ্ভিদ আৰু প্ৰাণী প্ৰজাতি আছে। বৃহৎ পৰিমাণৰ অৰ্কিডৰ প্ৰজাতি, পখিলা, চৰাই আৰু বন মেকুৰী আকৰ্ষণৰ কেন্দ্ৰবিন্দু, যিসমূহ অন্য বৰ্ষাৰণ্যত পোৱা নাযায়। |
| **ভূমি ব্যৱহাৰৰ ধৰণ** | মাটি, জলবায়ুৰ প্ৰকাৰ আৰু আৰ্থ-সামাজিক অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি কৃষি ব্যৱস্থা বিভিন্ন ধৰণৰ।<br>* কৃষিভূমিৰ অন্তৰ্গত মাটি ঃ ৩৩ শতাংশ<br>* অনা-কৃষিভূমি ঃ ২৫ শতাংশ<br>* কৃষি কৰিবপৰা পতিত ভূমি ঃ ১৪ শতাংশ<br>* অন্যান্য উদ্ভিদ-শস্যৰ অন্তৰ্গত মাটি ঃ ১০ শতাংশ<br>* পতিত আৰু কৃষি অনুপযোগী মাটি ঃ ১৯ শতাংশ |

<table>
<tr><td>ভূমিৰ মালিকানা</td><td>৯ শতাংশৰ লীজত লোৱা মাটি আছে।<br>তথ্য-১ৰ তালিকা ৪ত বিতং তথ্য দিয়া হৈছে।</td></tr>
<tr><td>পশুধন</td><td>অঞ্চলটোত উপলব্ধ পশুধনসমূহ হ'ল গাইগৰু, বলধ, হাঁহ, ম'হ, স্থানীয় কুকুৰা, গাহৰি আৰু ছাগলী। তলৰ তালিকাত পশুধন পালনৰ বিস্তৃত ব্যাখ্যা আগবঢ়োৱা হৈছে।
<table>
<tr><td>গাইগৰু</td><td>২০৬</td></tr>
<tr><td>বলধ</td><td>২৫৮</td></tr>
<tr><td>ম'হ</td><td>৬৫</td></tr>
<tr><td>হাঁহ</td><td>৪৩০</td></tr>
<tr><td>স্থানীয় কুকুৰা</td><td>৫৯৭</td></tr>
<tr><td>গাহৰি</td><td>১৬০</td></tr>
<tr><td>ছাগলী</td><td>৪০০</td></tr>
</table>
পৰিয়ালসমূহে পালন কৰা পশুধনৰ সংখ্যা আৰু প্ৰকাৰ তথ্য-(I)ৰ তালিকা-৫ত দাঙি ধৰা হৈছে।</td></tr>
<tr><td>গাঁৰৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা</td><td>গাঁওখনত উপলব্ধ আন্তঃগাঁথনিসমূহ তলত দিয়া ধৰণে ভাগ কৰিব পাৰি।<br><br>১। বস্তুগত আন্তঃগাঁথনি ঃ পৰিয়ালসমূহ বিদ্যুৎ, মোবাইল ফোন, চাইকেল আৰু মটৰ চাইকেলৰ দৰে যোগাযোগ ব্যৱস্থাৰ মৌলিক বস্তুগত আন্তঃগাঁথনিৰ দ্বাৰা প্ৰভাৱিত। প্ৰায় ৬৭ শতাংশ পৰিয়ালত বিদ্যুৎ যোগান ব্যৱস্থা আছে। ৰামনগৰী হৈ ডিগবৈৰ পৰা ই ডি চিলৈ যোৱা পথৰ অৱস্থা যাতায়াতৰ উপযোগী যদিও মেৰামতিৰ প্ৰয়োজন আছে। ই ডি চিলৈ যাবপৰা তিনিটা পথ আছে। সেইকেইটা হ'ল— ডিগবৈ-পেঙেৰী পথ, পি এন জি বি পথ আৰু বগাপানী চাহবাগান পথ। নিকটৱৰ্তী বজাৰখন ডিগবৈত অৱস্থিত।<br><br>২। শিক্ষা আৰু স্বাস্থ্য সেৱা ঃ শিক্ষা আৰু স্বাস্থ্য সুবিধাৰ ভিতৰত ইয়াত চাৰিখন প্ৰাথমিক বিদ্যালয়, ছয়টা অংগনৱাড়ী কেন্দ্ৰ, এটা সামূহিক স্বাস্থ্য কেন্দ্ৰ আছে। ইয়াত দুখন এম ই আৰু দুখন হাইস্কুল আছে। জৰুৰী স্বাস্থ্য সেৱা আৰু নিয়মীয়া পৰীক্ষাৰ বাবে বেছিভাগ ক্ষেত্ৰতে ডিগবৈত অৱস্থিত অইল ইণ্ডিয়া হাস্পতাললৈ প্ৰেৰণ কৰা হয়।<br><br>৩। চৰকাৰী কাৰ্যালয় ঃ চৰকাৰী কাৰ্যালয় আৰু বিভাগসমূহ যেনে পঞ্চায়ত কাৰ্যালয়, স্থানীয় আৰক্ষী থানা, বন লাট কাৰ্যালয় আৰু বনাঞ্চলিক কাৰ্যালয় কিছু দৰৈত অৱস্থিত।<br><br>৪। বিত্তীয় প্ৰতিষ্ঠান ঃ ইয়াত বেংক আৰু ডাকঘৰ আছে যদিও সেইবোৰ যথেষ্ট দূৰৈত অৱস্থিত, গাঁৰৰ পৰা গড়ে ৩-৫ কিঃমিঃ।<br><br>আন্তঃগাঁথনিৰ বৰ্ণনা তথ্য-(I)ৰ তালিকা-৬ত বিশদভাৱে উল্লেখ কৰা হৈছে।<br><br>ই ডি চি গাঁওসমূহত কৰা মুখ্য শস্যসমূহ হ'ল—<br><br>খাৰিফ ঃ ধান (শালি) আৰু চাহখেতি</td></tr>
</table>

| | |
|---|---|
| | প্ৰায় ৮০ শতাংশ পৰিয়ালে গড় উৎপাদন ১২৩৩.৫৪ কিঃগ্ৰাঃ হিচাপে ধানখেতি কৰে। এগৰাকী কৃষকৰ ধানখেতিৰ বাবে কৰা গড় বিনিয়োগ হ'ল ৩৪৭৫ টকা। |
| **কৃষি শস্য** | এইটো দেখা গৈছে যে কৃষিভূমিসমূহত জলসিঞ্চনৰ কোনো ব্যৱস্থা নাই আৰু ধানখেতিৰ অন্তৰ্গত ১০০ শতাংশ কৃষিভূমিয়েই বৰষুণৰ ওপৰত নিৰ্ভৰশীল।<br>ক্ষেত্ৰ সমীক্ষাত ঋতুকালীন শস্য আৰু ফলৰ তথ্য প্ৰদান কৰা হোৱা নাই যিটোৱে স্পষ্টভাৱে দেখুৱায় যে তাৰ কৃষিভূমিসমূহত মাত্ৰ একক শস্যই কৰা হয়।<br>কৃষিশস্যৰ বিতং তথ্য **তথ্য-(I)ৰ তালিকা-৭**ত সন্নিৱিষ্ট কৰা হৈছে। |
| **পশুখাদ্যৰ পৰ্যাপ্ততা** | পশুখাদ্যৰ মূল উৎসসমূহ হৈছে ঃ<br>১) বনৰ পৰা সংগ্ৰহ<br>চ) ঘৰুৱা সামগ্ৰীৰ অৱশিষ্ট<br>এইটো দেখা গৈছে যে প্ৰায় ৪২ শতাংশ পৰিয়ালে তেওঁলোকৰ গৰু, ম'হ আদি বনত চৰায় আৰু এই চাৰণৰ মূল সময় জুনৰ পৰা আৰম্ভ হৈ ডিচেম্বৰলৈকে চলে।<br>পশু চাৰণৰ ঋতুকালীনতা **তথ্য-(I)ৰ তালিকা-৮**ত সন্নিৱিষ্ট কৰা হৈছে। |
| **বজাৰ** | সম্প্ৰদায়ৰ লোকসকলে ক্ৰয়-বিক্ৰয়ৰ বাবে অহা-যোৱা কৰা মুখ্য বজাৰসমূহ আৰু ই ডি চিৰ পৰা ইয়াৰ দূৰত্ব তলত উল্লেখ কৰা হ'ল ঃ<br>ক) গেলামাল/সুলভ মূল্যৰ দোকানঃ গাঁৱৰ পৰা ২-৩ কিলোমিটাৰ দূৰত্বৰ ডিগবৈত<br>খ) সাপ্তাহিক/অৰ্ধ-সাপ্তাহিক বজাৰ ঃ প্ৰায় ৩ কিলোমিটাৰ নিলগত<br>গ) প্ৰধান বজাৰ ঃ প্ৰায় ৩ কিলোমিটাৰ নিলগৰ ডিগবৈ |
| **জলসম্পদ** | ই ডি চিৰ গাঁওসমূহৰ মুখ্য জলসম্পদৰ উৎসসমূহ তলত দিয়া হ'ল।<br>ক) দমকল ঃ ১৮০টা (পানীৰ পৰ্যাপ্ততা ঃ বছৰজুৰি)<br>খ) কুঁৱা ঃ ৪টা (পানীৰ পৰ্যাপ্ততা ঃ বছৰজুৰি)<br>গ) নদী ঃ ১টা (পানীৰ পৰ্যাপ্ততা ঃ বছৰজুৰি)<br>ঘ) পুখুৰী ঃ ১৫টা (পানীৰ পৰ্যাপ্ততা ঃ বছৰজুৰি)<br>এইটো দেখা গৈছে যে বেছিভাগ উৎসৰ পানীতে আইৰণৰ পৰিমাণ অতি উচ্চ।<br>জলসম্পদৰ পৰ্যাপ্ততা **তথ্য-(I)ৰ তালিকা-১০**ত সন্নিৱিষ্ট কৰা হৈছে। |
| **শক্তিৰ ব্যৱহাৰ** | গাঁৱৰ শক্তিৰ ঘাই উৎসসমূহ তলৰ তালিকাত দেখুওৱা হৈছে।<br>**ক) কাঠখৰি ঃ** নিৰ্ভৰশীল পৰিয়াল ঃ ১২০টা<br>উৎস ঃ স্থানীয় বনাঞ্চল<br>পৰিয়ালসমূহক কাঠখৰিৰ মাহিলি গড় প্ৰয়োজন ঃ ৩০৩.১০ কিঃগ্ৰাঃ।<br>**খ) কেৰাচিন ঃ** নিৰ্ভৰশীল পৰিয়াল ঃ ১৩১টা<br>উৎস ঃ স্থানীয় বজাৰ<br>পৰিয়ালসমূহক কেৰাচিনৰ মাহিলি গড় প্ৰয়োজন ঃ ৪.১৯ লিটাৰ।<br>**গ) ৰন্ধন গেছ ঃ** নিৰ্ভৰশীল পৰিয়াল ঃ ৮০টা<br>উৎস ঃ স্থানীয় গেছ এজেন্সী<br>পৰিয়ালসমূহক ৰন্ধন গেছৰ মাহিলি গড় প্ৰয়োজন ঃ এটা চিলিণ্ডাৰ |

| | |
|---|---|
| | **তথ্য-(I)ৰ তালিকা-১০ত** অঞ্চলটোৰ শক্তি ব্যৱহাৰৰ বিতং তথ্য দিয়া হৈছে। |
| **আৰ্থ-সামাজিক অৱস্থা** | **সামাজিক গাঁথনি ঃ** ই ডি চি গাঁৱত বসবাস কৰা লোকসকল বিভিন্ন সম্প্ৰদায়ৰ। ইয়াৰ ভিতৰত প্ৰধান হ'ল আহোম, আদিবাসী আৰু সোণোৱাল কছাৰী, চিংফৌ।<br>**অৰ্থনৈতিক অৱস্থা ঃ** গাঁওবাসীৰ সামগ্ৰিক অৰ্থনৈতিক অৱস্থা সন্তোষজনক পোৱা নগ'ল। ক্ষেত্ৰ সমীক্ষাত পোৱা তথ্যমতে পৰিয়ালসমূহৰ বাৰ্ষিক আয়ৰ গড় হ'ল ২৭,৬৫৩ টকা।<br>এফালে যদি আমি আদিবাসী আৰু আনফালে সোণোৱাল কছাৰী সম্প্ৰদায়ৰ জীৱন নিৰ্বাহৰ মানদণ্ড বিবেচনা কৰোঁ তেতিয়া দেখিম যে পিছৰখিনিৰ আৰ্থ-সামাজিক অৱস্থা প্ৰথমৰখিনিতকৈ বেছি ভাল। |
| **মানচিত্ৰ** | **পৰিশিষ্ট-I**ত তলৰ মানচিত্ৰসমূহ দিয়া হৈছে।<br>১) গাঁৱৰ মানচিত্ৰ (গাঁৱৰ সামাজিক আৰু সম্পদ মানচিত্ৰ)<br>২) জি আই এছ মানচিত্ৰ<br>৩) সম্পত্তিৰ স্থানাংক |

## অধ্যায়-৩ ঃ জীৱিকাৰ সুযোগসমূহৰ বিশ্লেষণ

| | |
|---|---|
| **পি আৰ এ অনুশীলন** | চি এম এল দলে দুই নং বাপাপুং ই ডি চি গাঁৱত পি আৰ এ অনুশীলন সম্পন্ন কৰে ২০১৬ চনৰ ৩ জুন তাৰিখে। ইয়াত উপস্থিত থাকে দুই নং বাপাপুং, ভীমপথাৰ, খেৰজান আৰু খ্ৰীষ্টানবস্তি গাঁৱৰ প্ৰতিনিধিসকল, ই ডিচিৰ সভাপতি, কাৰ্যকৰী সমিতিৰ সদস্যসকল আৰু বন বিভাগৰ বিষয়াসকল। |
| **পি আৰ এৰ উদ্দেশ্য** | **পি আৰ এৰ উদ্দেশ্য** ঃ এই অনুশীলনৰ মুখ্য উদ্দেশ্যসমূহ হ'ল<br>(ক) অঞ্চলটোত উপলব্ধ জীৱিকা পদ্ধতিসমূহৰ বিষয়ে বুজা। ইয়াৰ যথাৰ্থতা আৰু প্ৰতিবন্ধকতাসমূহ।<br>(খ) দাৰিদ্ৰ্যসকলৰ বাবে প্ৰয়োজনীয় ঋণৰ সুবিধা ভালদৰে বুজা আৰু তেওঁলোকৰ কৃষি পদ্ধতি সম্পৰ্কে বুজা। বিকল্প, প্ৰতিবন্ধকতা আৰু বিত্তীয় প্ৰতিষ্ঠানৰ সুযোগসমূহৰ বিষয়ে পৰীক্ষা কৰা, যাতে বিত্তীয় সেৱা আগবঢ়াব পৰা যায় আৰু<br>(গ) বৰ্তমানৰ জীৱিকা সহায়ক কাৰ্যকলাপ চিনাক্ত কৰা আৰু উপাৰ্জন বৃদ্ধি আৰু লোকসকলৰ মাজত নিযুক্তি সুবিধা বৃদ্ধিত সহায় কৰিব পৰা বহনক্ষম জীৱিকা সহায়ক সেৱা প্ৰদান কৰা। |
| **পি আৰ এত ব্যৱহাৰ কৰা আহিলা** | তলত দিয়া আহিলাসমূহ পি আৰ এৰ সময়ত ব্যৱহাৰ কৰা হৈছে ঃ<br>(১) ফকাছ গ্ৰুপৰ সৈতে আলোচনা<br>(২) ঋতুকালীনতা বিশ্লেষণ<br>(৩) সামাজিক আৰু সম্পদ মানচিত্ৰায়ন<br>পৰিশিষ্ট-২ত ওপৰৰ বিষয়বোৰ সম্পৰ্কে বিতং তথ্য দিয়া হৈছে। |
| **স্থানাংক** | নিম্নোক্ত বিষয়ত স্থানাংক (ৰেংকিং) নিৰ্ধাৰণ কৰা হৈছে ঃ<br>■ জীৱিকা আৰু দক্ষতা উন্নয়ন<br>■ প্ৰাৰম্ভিক কাম-কাজ (ই পি এ)<br>ওপৰৰ বিষয়বোৰ পৰিশিষ্ট-২ত উল্লেখ কৰা হৈছে।<br>জীৱিকা আৰু দক্ষতা উন্নয়নৰ স্থানাংক<br>১) বাঁহ শিল্প<br>২) পশুপালন<br>৩) পৰিৱেশ-পৰ্যটন<br>ই পি এৰ স্থানাংক |

| ক্ৰমিক নং | স্থানাংক অনুসাৰে গাঁৱৰ ই পি এ | বিতং বিৱৰণ (পৰিশিষ্ট-৩ ত অতিৰিক্ত তথ্য দিয়া হৈছে) | পুঁজিৰ সম্ভাব্য উৎস / বিভাগ |
|---|---|---|---|
| ১। | ৰন্ধন গেছৰ সংযোগ | বিপিএল পৰিয়ালক সংযোগ | ইপিএ এপিএফবিচি |
| ২। | বিদ্যুৎ শক্তি / সৌৰ পোহৰ ব্যৱস্থা | বিপিএল পৰিয়ালক সংযোগ | ইপিএ এপিএফবিচি |
| ৩। | ৰাজহুৱা সভাঘৰ | ৰাজহুৱা সভাঘৰ – ১ | ইপিএ এপিএফবিচি |
| ৪। | পথ যোগাযোগ | ব্লেক টপিং পথ | পিএমজিএছৱাই/ পি ডব্লিউ বি |
| ৫। | স্বাস্থ্য সংঘ | ৰাজহুৱা স্বাস্থ্যৰ বাবে স্বাস্থ্য সংঘ – ১ | ইপিএ এপিএফবিচি |

| | |
|---|---|
| **জীৱিকাৰ সুযোগ-সুবিধা** | চিহ্নিত কৰা জীৱিকাৰ সুযোগ-সুবিধাবোৰ তলত উল্লেখ কৰা হ'ল—<br>■ বাঁহ শিল্প<br>■ পশুপালন (গাহৰি আৰু স্থানীয় কুকুৰা পালনৰ বাবে ক্লাষ্টাৰ উন্নয়ন)<br>■ পৰিৱেশ-পৰ্যটন |
| **বাঁহ শিল্প** | সম্ভাৱনাপূৰ্ণ জীৱিকা বিকল্প হিচাপে বাঁহ শিল্প উত্তৰণৰ প্ৰধান বাধাসমূহ হ'ল—<br>■ ডিজাইন উন্নয়নৰ অভাৱ<br>■ বজাৰ আৰু মূল্যৰ ওপৰত জ্ঞানৰ অভাৱ<br>■ শোচনীয় আন্তগাঁথনি<br>■ কলা-কৌশলৰ অভাৱ— পৰম্পৰাগত সা-সৰঞ্জামৰ অধিক ব্যৱহাৰ<br>বাঁহ শিল্প উপ-শাখাক উত্তৰণৰ বাবে কেইটামান সম্ভাৱনীয় পদক্ষেপ তলত দিয়া ধৰণৰ ঃ<br>■ বাঁহ শিল্পৰ প্ৰাথমিক দক্ষতা উন্নয়ন প্ৰশিক্ষণ যিটো পুনৰ বাঁহ শিল্প নিৰ্মাণৰ বাবে অধিক উন্নত স্তৰৰ প্ৰশিক্ষণলৈ উন্নয়ন ঘটাব পৰা যাব<br>■ উৎপাদনক উৎসাহিত কৰিবৰ বাবে বিশেষ সা-সৰঞ্জামৰ প্ৰয়োগ<br>■ উদ্যমিতা আৰু ব্যৱসায় ভিত্তিক প্ৰশিক্ষণ<br>**তথ্য-২ৰ তালিকা-১২** বিতং বিৱৰণৰ বাবে চাব পাৰে। |
| **পশুধন প্ৰতিপালন** | **পশুধন প্ৰতিপালনৰ উত্তৰণ ঃ**<br>**প্ৰধান বাধাবোৰ হৈছে ঃ**<br>ক) ৰোগৰ সংক্ৰমণ<br>খ) পশুপালনৰ বৈজ্ঞানিক জ্ঞানৰ অভাৱ<br>গ) গাঁওবাসীৰ এটা অংশৰ প্ৰাৰম্ভিক মূলধনৰ অভাৱ<br>ঘ) মানসম্পন্ন পশুখাদ্যৰ অভাৱ— পুষ্টিকৰ আৰু অন্য বিকাশমূলক খাদ্যৰ উৎস<br>**প্ৰধান পৰামৰ্শসমূহ হৈছে ঃ**<br>ক) পশুপালন আৰু পেৰা ভেটেৰিনাৰী বৃত্তিৰ ওপৰত বিশেষ প্ৰশিক্ষণ<br>খ) সম্প্ৰদায়/ই ডি চিৰ দ্বাৰা পৰিচালিত কৃষি-ভেটেৰিনাৰী যতন কেন্দ্ৰ<br>গ) উদ্যমিতা আৰু ব্যৱসায় ভিত্তিক প্ৰশিক্ষণ<br>**তথ্য-(II)ৰ তালিকা-১৩ত** বিতং তথ্য দিয়া হৈছে। |
| **পৰিৱেশ-পৰ্যটন** | **সম্ভাৱনাপূৰ্ণ জীৱিকা বিকল্প হিচাপে পৰিৱেশ-পৰ্যটনক উত্তৰণৰ প্ৰধান বাধাবোৰ হৈছে ঃ**<br>ক) পৰ্যাপ্ত আন্তঃগাঁথনিৰ অভাৱ<br>খ) অঞ্চলটোত টুৰিষ্ট গাইডৰ অভাৱ<br>গ) পৰিৱেশ-পৰ্যটন সম্পৰ্কে একাংশৰ ধাৰণাৰ অভাৱ<br>**সুযোগসমূহ ঃ**<br>ক) পৰ্যটন আৰু আপ্যায়ণৰ ওপৰত ই ডি চিৰ নিৱনুৱা যুৱকসকলক প্ৰাৰম্ভিক দক্ষতা উন্নয়নৰ প্ৰশিক্ষণ যিটোক পিছলৈ বিশেষ টুৰিষ্ট গাইড আৰু সহায়তাৰ উন্নত স্তৰৰ প্ৰশিক্ষণলৈ উত্তৰণ ঘটাব পাৰি।<br>খ) পৰ্যটকক ৰাখিবৰ বাবে শিবিৰ স্থাপন কৰি পৰিৱেশ-পৰ্যটনক পৃষ্ঠপোষকতা কৰা<br>গ) উদ্যমিতা আৰু ব্যৱসায় ভিত্তিক প্ৰশিক্ষণ<br>**তথ্য-(II)ৰ তালিকা-১৪ত** বিতং তথ্য দিয়া হৈছে। |

| | |
|---|---|
| **ঋণৰ সুবিধা** | ই ডি চিত ঋণ সুবিধাৰ বাবে মুখ্য বাধাসমূহ তলত দিয়া ধৰণৰ<br>■ অসংগঠিত গাঁৱৰ ঋণ দিওঁতাসকলৰ উচ্চ মাত্ৰাৰ সুতৰ হাৰ<br>■ আগ্ৰহী ঋণীসকলক সহজ ঋণ সুবিধা প্ৰদানত কিছুমান বিত্তীয় প্ৰতিষ্ঠানৰ অনীহা<br>গাঁওবাসীক উন্নত মানৰ ঋণৰ সুবিধা প্ৰদানৰ কেতবোৰ পদক্ষেপ তলত দিয়া ধৰণৰ হ'ব পাৰে ঃ<br>■ নিয়মিতভাৱে বেংকৰ লগত সংযোগ স্থাপনৰ কাৰ্যসূচী<br>■ অঞ্চলটোত ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানৰ সুবিধা উপলব্ধ কৰোৱা<br>■ গাঁও পৰ্যায়ৰ প্ৰতিষ্ঠান বা আত্মসহায়ক গোটৰ উত্তৰণ<br><br>এই সন্দৰ্ভত **তথ্য-(II)**ৰ **তালিকা-১৫**ত বিশদ বিৱৰণ দিয়া হৈছে। |
| **কৌশলগত হস্তক্ষেপ** | ওপৰত উল্লিখিত জীৱিকা উন্নয়ন পৰিকল্পনাৰ কৌশলগত হস্তক্ষেপ হিচাপে তলৰ বিষয়সমূহ গণ্য কৰিব পাৰি ঃ<br>**বাঁহ শিল্প ঃ**<br>✓ বাঁহ শিল্পৰ প্ৰাথমিক দক্ষতা উন্নয়ন প্ৰশিক্ষণ যিটো পুনৰ বাঁহ শিল্প নিৰ্মাণৰ বাবে অধিক উন্নত স্তৰৰ প্ৰশিক্ষণলৈ উন্নয়ন ঘটাব পৰা যাব<br>✓ উৎপাদনক উৎসাহিত কৰিবৰ বাবে বিশেষ সা-সৰঞ্জামৰ প্ৰয়োগ<br>✓ উদ্যমিতা আৰু ব্যৱসায় ভিত্তিক প্ৰশিক্ষণ<br>**পশুপালন ঃ**<br>✓ পশুপালন আৰু পেৰা ভেটেৰিনাৰী বৃত্তিৰ ওপৰত বিশেষ প্ৰশিক্ষণ<br>✓ সম্প্ৰদায়/ই ডি চিৰ দ্বাৰা পৰিচালিত কৃষি-ভেটেৰিনাৰী যতন কেন্দ্ৰ<br>✓ উদ্যমিতা আৰু ব্যৱসায় ভিত্তিক প্ৰশিক্ষণ<br>**পৰিৱেশ-পৰ্যটন ঃ**<br>✓ পৰ্যটন আৰু আপ্যায়ণৰ ওপৰত ই ডি চিৰ নিবনুৱা যুৱকসকলক প্ৰাৰম্ভিক দক্ষতা উন্নয়নৰ প্ৰশিক্ষণ যিটোক পিছলৈ বিশেষ টুৰিষ্ট গাইড আৰু সহায়তাৰ উন্নত স্তৰৰ প্ৰশিক্ষণলৈ উত্তৰণ ঘটাব পাৰি।<br>✓ পৰ্যটকক ৰাখিবৰ বাবে শিবিৰ স্থাপন কৰি পৰিৱেশ-পৰ্যটনক পৃষ্ঠপোষকতা কৰা<br>✓ উদ্যমিতা আৰু ব্যৱসায় ভিত্তিক প্ৰশিক্ষণ<br>**ঋণৰ সুবিধা ঃ**<br>✓ নিয়মিতভাৱে বেংকৰ লগত সংযোগ স্থাপনৰ কাৰ্যসূচী<br>✓ অঞ্চলটোত ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানৰ সুবিধা উপলব্ধ কৰোৱা<br>✓ গাঁও পৰ্যায়ৰ প্ৰতিষ্ঠান বা আত্মসহায়ক গোটৰ উত্তৰণ |

## ৪ ঃ জীৱিকা উন্নয়ন পৰিকল্পনা

| | |
|---|---|
| **উপাৰ্জন বৃদ্ধিৰ কাম-কাজ** | ই ডি চি গাঁৱত পৰিকল্পনা কৰা উপাৰ্জন বৃদ্ধিৰ প্ৰধান কাম-কাজবোৰ হৈছে ঃ<br>**কৃষিখণ্ড ঃ**<br>■ পশুধন পালন ক্লাষ্টাৰ উত্তৰণ (গাহৰি আৰু স্থানীয় কুকুৰা)<br>**অনা-কৃষি খণ্ড ঃ**<br>■ ঘৰুৱা ব্যৱহৃত সামগ্ৰীৰ ওপৰত বিশেষভাৱে মনোযোগ দি বাঁহ শিল্প ক্লাষ্টাৰৰ উত্তৰণ<br>■ পৰিৱেশ-পৰ্যটনৰ উত্তৰণ<br>**উৎস ঃ তথ্য-৪ৰ তালিকা ৩২** |
| **আত্মসহায়ক গোটৰ কাম-কাজ** | ই ডি চিৰ সামাজিক সম্পদ সমৃদ্ধিশালী কৰাৰ ক্ষেত্ৰত আত্মসহায়ক গোটসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা তলত দিয়া ধৰণে পালন কৰিব পাৰে ঃ<br>■ গাঁওবাসীৰ মাজত দক্ষতা উন্নয়ন আৰু উদ্যমিতাৰ গুৰুত্ব সম্পৰ্কে সজাগতা সৃষ্টি কৰিব পাৰে।<br>■ বহুমাত্ৰিক আত্মসহায়ক গোট গঠনৰ জৰিয়তে গাঁও সংগঠনসমূহক উত্তৰণ ঘটোৱা।<br>■ ই ডি চি গাঁওসমূহত বিশেষ বিশেষ ক্ষেত্ৰসমূহত ক্লাষ্টাৰ সৃষ্টিৰে জীৱিকা কাৰ্যসূচীৰ লক্ষ্য নিৰ্ধাৰণ কৰি ক্ষুদ্ৰ এণ্টাৰপ্ৰাইজসমূহক উত্তৰণ ঘটোৱা।<br>■ গাঁৱত উপলব্ধ সামাজিক দুষ্কৃতিসমূহ পৰীক্ষা কৰাৰ বাবে এক এজেণ্টৰ ভূমিকাও পালন কৰিব পাৰে।<br>**উৎস ঃ তথ্য-৪ৰ তালিকা ৩৩** |
| **শিক্ষামূলক ভ্ৰমণ** | ৰাজ্যখনৰ ভিতৰত শিক্ষামূলক ভ্ৰমণৰ প্ৰয়োজনীয়তা আছে। **তথ্য-৪ৰ তালিকা ৩৪** |
| **কৰ্ম আঁচনিৰ সাৰাংশ** | বিস্তৃত ব্যাখ্যা পৰৱৰ্তী পৃষ্ঠাত সংলগ্ন কৰা হৈছে। |
| **সম্পৃক্তকৰণ** | ভাৰত চৰকাৰৰ তলৰ আঁচনিসমূহৰ সৈতে পৰিকল্পনা কৰা কাৰ্যব্যৱস্থাৰ উদ্যোগসমূহক সম্পৃক্ত কৰিব পাৰি ঃ<br>■ ৰাষ্ট্ৰীয় বাঁহ মিছন<br>■ অসম চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগ<br>■ সদৌ ভাৰত শিল্পী আৰু ক্ৰাফ্ট কৰ্মী কল্যাণ সংস্থা (এ আই এ চি এ)<br>■ অসম পৰ্যটন উন্নয়ন নিগম লিমিটেড<br>■ অসম চৰকাৰৰ পৰ্যটন মন্ত্ৰণালয়<br>■ নেচনেল স্মল হল্ডাৰ পৌলট্ৰি ডেভেলপমেণ্ট ট্ৰাষ্ট (এন এছ পি ডি টি)<br>■ কৃষি গৱেষণাৰ ভাৰতীয় সংসদ ঃ ৰাষ্ট্ৰীয় গাহৰি গৱেণা কেন্দ্ৰ, গুৱাহাটী<br>■ ইণ্ডিয়ান অইল কৰ্পʼৰেচন লিমিটেড (আই অʼ চি এল)<br>■ কʼল ইণ্ডিয়া লিমিটেড (চি আই এল)<br>■ ৰাষ্ট্ৰীয় জীৱিকা অভিযান |

## ৫ ঃ কাৰ্য পৰিকল্পনা

### ২নং বাপাপুং ই ডি চিৰ বাবে কাৰ্য পৰিকল্পনা

| ক্ৰমিক নং | কাম-কাজ | সংখ্যা | পদ্ধতি |
|---|---|---|---|
| **ক)** | **অংশগ্ৰহণমূলক ক্ষুদ্ৰ পৰিকল্পনা** | | |
| ১ | ক্ষুদ্ৰ পৰিকল্পনাৰ প্ৰস্তুতি | ১ | পি আৰ এ বেছলাইন সমীক্ষা |
| **খ)** | **উৎপাদক সংগঠিত কৰা আৰু উদ্যমিতা আৰু কাৰিকৰী সামৰ্থ নিৰ্মাণ (সামৰ্থ নিৰ্মাণ)** | | |
| ১ | সজাগতা গঢ়ি তোলাৰ কৰ্মসূচী | ১ | সজাগতা কৰ্মসূচী |
| **খ. ১** | **দক্ষতা উন্নয়নৰ ওপৰত প্ৰশিক্ষণ** | | |
| ১ | বাঁহ শিল্পৰ ওপৰত দক্ষতা উন্নয়ন প্ৰশিক্ষণ | ১ | বাঁহশিল্পৰ দক্ষতা উন্নয়ন সম্পৰ্কে প্ৰশিক্ষণ পৰিচালনা (২০০ ঘণ্টা) |
| ২ | পশুপালনৰ ওপৰত দক্ষতা উন্নয়ন প্ৰশিক্ষণ | ১ | পশুপালন আৰু পেৰা ব্যক্তিৰ উন্নয়নৰ ওপৰত প্ৰশিক্ষণ পৰিচালনা (২০ দিন) |
| ৩ | পৰিৱেশ-পৰ্যটন উত্তৰণৰ ওপৰত প্ৰশিক্ষণ | ১ | পৰিৱেশ-পৰ্যটন উন্নয়নৰ ওপৰত প্ৰশিক্ষণ পৰিচালনা (৩০ দিন) |
| ৪ | উদ্যমিতা ভিত্তিক প্ৰশিক্ষণ | ১ | উদ্যমিতা ভিত্তিক কাৰ্যসূচী (৩০ দিন) |
| **গ)** | **সামাজিক সমাৱেশকৰণ** | | |
| ১ | সমূহীয়া গোট (অৰ্থাৎ আত্মসহায়ক গোট, সমিতি, এন জি অ', সংগঠন, উৎপাদক কোম্পানী) গঠন সম্পৰ্কে সজাগতা সৃষ্টি শিবিৰ | | সমবায় বিশেষজ্ঞৰ জৰিয়তে সমূহীয়া গোট গঠন সম্পৰ্কে ৪ দিনৰ সজাগতা সৃষ্টিৰ শিবিৰ |
| ২ | স্ব-নিয়োজন আৰু নিযুক্তিৰ বাবে সংযোগ গঢ়ি তোলা তথা হাতে-কামে সহায় | | ২০১৭ মাৰ্চলৈকে চি এম এল বিশেষজ্ঞৰ জৰিয়তে গোটেই বছৰজুৰি হাতে হাতে সহায় |
| **ঘ)** | **মূল্য শৃংখল উন্নতকৰণ** | | |
| **ঘ. ১** | **মূল্য শৃংখল উন্নয়নৰ দ্বাৰা উৎপাদন উন্নয়ন** | | |
| ১ | বাঁহ শিল্পৰ মূল্যশৃংখল উন্নয়ন | ১ | কাৰ্যকৰীকৰণৰ বাবে ৭ দিনৰ প্ৰশিক্ষণ |
| **খ. ২** | **আধুনিক সঁজুলিৰ যোগান** | | |
| ১ | শিল্পীৰ কাৰণে আধুনিক সঁজুলিৰ যোগান | ১ | আধুনিক সঁজুলি যোগান |
| ২ | প্ৰতিপালন সৰঞ্জাম | ২০ | |
| খ. ৩ | উৎপাদন আৰু সংসাধন ক্ষমতা উন্নয়ন | | |
| **ঙ)** | **বজাৰত প্ৰৱেশৰ বাবে সহায়-সুবিধা** | | |
| ঘ. ১ | প্ৰাতিষ্ঠানিক ক্ৰেতা আৰু/অথবা চৰকাৰী সংস্থাৰ সৈতে সংযোগ (গোটেই বছৰ ধৰি) | ২ | ক্ৰেতা আৰু বিক্ৰেতাৰ আদান-প্ৰদানৰ বাবে প্লেটফৰ্ম সৃষ্টি (৫ দিন) |

| | | | |
|---|---|---|---|
| ঘ. ২ | বন বজাৰ স্থাপন | গোটেই বছৰ জুৰি | ভাল বজাৰৰ জৰিয়তে সংযোগ |
| ঘ. ৩ | বাণিজ্য মেলা আৰু প্ৰদৰ্শনীত অংশগ্ৰহণ | ১ | বন বিভাগৰ জৰিয়তে এটা প্ৰদৰ্শনী আৰু বাণিজ্য মেলাত অংশগ্ৰহণ |
| ঘ. ৪ | অন্যান্য ভৌগোলিক বজাৰত প্ৰৱেশ | ১ | শিক্ষামূলক ভ্ৰমণ |
| ঘ. ৫ | ই-প'ৰ্টেল, পুস্তিকা, কেটেলগ আদিৰ জৰিয়তে প্ৰচাৰ | ১ | বজাৰ বিশেষজ্ঞৰ দ্বাৰা গ্ৰহণ কৰা ২ দিনৰ প্ৰশিক্ষণ আৰু সজাগতা কৰ্মসূচী |

## ৬ ঃ বন উন্নয়ন পৰিকল্পনা

২নং বাপাপুং ই ডি চিৰ ক্ষুদ্ৰ পৰিকল্পনাৰ অংশ হিচাপে গাঁও অঞ্চলত বনোন্নয়ন পৰিকল্পনা বিস্তৃত পি আৰ এ অনুশীলনৰ পিছত প্ৰস্তুত কৰা হৈছে। এই পৰিকল্পনাৰ উদ্দেশ্যসমূহ হ'ল জৈৱ বৈচিত্ৰ্য সংৰক্ষণ, পাৰিৱেশিক কাৰ্যসূচী আৰু ই ডি চিৰ অন্তৰ্গত বনাঞ্চলত উৎপাদন সক্ষমতা; এক বহনক্ষম ব্যৱস্থাৰে সম্প্ৰদায়ৰ ব্যৱহাৰ আৰু জীৱন ধাৰণৰ প্ৰয়োজনীয়তাসমূহ লাভ কৰা।

ই ডি চিৰ বনাঞ্চলৰ অৱস্থা ঃ

২নং বাপাপুং ই ডি চিৰ অন্তৰ্গত বনাঞ্চলসমূহৰ বাবে এই ক্ষুদ্ৰ পৰিকল্পনাই তলৰ বিভাগসমূহ বিবেচনা কৰিছে।

ক) বন বিভাগৰ দ্বাৰা ই ডি চিৰ অন্তৰ্গত বনাঞ্চলসমূহ আৰু

খ) বৃক্ষৰোপণ/বৃক্ষৰোপণ কৰিব লগা সম্প্ৰদায়ৰ ভূমি আৰু অন্যান্য ভূমি, যিসমূহ বনাঞ্চলৰ জাননীৰ বাহিৰত

উপৰোক্ত দুয়োটা বিভাগৰে ই ডি চি বনাঞ্চলৰ অৱস্থা সম্পৰ্কে তলত আলোচনা কৰা হ'ল ঃ

**বনাঞ্চল আৰু তাৰ অৱস্থা**

ই ডি চিৰ অন্তৰ্গত বনাঞ্চলৰ পূৰ্ণ বিৱৰণ প্ৰফ'ৰ্মা-৩ৰ অধীনত তালিকা-৩.১ত দাখিল কৰা হৈছে ('বনোন্নয়ন পৰিকল্পনা'), যিসমূহ এই ক্ষুদ্ৰ পৰিকল্পনাত পৰিশিষ্ট হিচাপে সংলগ্ন কৰা হৈছে। অন্যান্য বৃক্ষৰোপিত এলেকা (বা বৃক্ষৰোপণ কৰিবলগা) বিবেচনা কৰাৰ পিছত, ২নং বাপাপুং ই ডি চিৰ বনাঞ্চলৰ অৱস্থা তলত দিয়াৰ দৰে সাৰাংশ কৰা হৈছে।

**তালিকা-১ ঃ ২নং বাপাপুং ই ডি চিৰ বনাঞ্চলৰ অৱস্থা**

| চিহ্নিতকৰণ | ই ডি চি বনাঞ্চলৰ আয়তন (হেক্টৰ) | গাঁৱৰ পৰা দূৰত্ব (কিঃ মিঃ) | বনাঞ্চলৰ অৱস্থা (ভাল-বনৰ ৪০% আৰু ততোধিক ক্ৰাউন ঘনত্ব বাকী- 'ক্ষতিগ্ৰস্ত') | সম্প্ৰদায়ৰ দ্বাৰা ব্যৱহাৰৰ ব্যৱধানতা (২-৩ মাহ/৩-৬ মাহ/৬ -৯ মাহ/৯ মাহৰ বেছি) |
|---|---|---|---|---|
| **(ক) ন্যস্ত বনাঞ্চল** | | ৪ | ভাল এলেকা ঃ ১০ হেক্টৰ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ ২০ হেক্টৰ | ৬-৯ |
| ইউ আৰ ডি এফ (ই বি)ৰ সৈতে | ৩০ হেক্টৰ | — | ভাল এলেকা ঃ ১০ হেক্টৰ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ ২০ হেক্টৰ | ৬-৯ |
| **(খ) অন্যান্য ৰোপিত এলেকা** | — | — | — | — |
| নিৰ্দিষ্ট সময়ত মঞ্জুৰিকৃত ধনৰ পৰিমাণৰ ওপৰত আবণ্টন হ'বলগীয়া | ৮০৮ হেক্টৰ (এন আৰ-৬০৬ হেক্টৰ আই পি-২০২ হেক্টৰ) | — | — | ৬-৯ |
| **মুঠ** | | ৪ | ভাল এলেকা ঃ ১০ হেক্টৰ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ ২০ হেক্টৰ | ৬-৯ |

**উৎস ঃ প্ৰফৰ্মা-৩, তালিকা-৩.১**/ বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা

ইয়াৰ পৰা দেখা গ'ল যে ২নং বাপাপুং অধীনস্থ বনাঞ্চলৰ ভূমি ৩০ হেক্টৰ। ইয়াৰে ১০ হেক্টৰ (৩৩%) 'ভাল' (ক্ৰাউন ঘনত্ব >৪০%) আৰু বাকী ২০ হেক্টৰ এলেকা 'ক্ষতিগ্ৰস্ত'।

**বনাঞ্চলৰ মাটিৰ প্ৰকাৰ ঃ**

২নং বাপাপুং ই ডি চি মাৰ্ঘেৰিটা পশ্চিম বনাঞ্চলিকত অৱস্থিত। এই বনভূমিৰ মাটিৰ প্ৰকাৰৰ কিছু উল্লেখযোগ্য বৈশিষ্ট তলৰ তালিকাত উল্লেখ কৰা হ'ল।

**তালিকা- ২ ঃ ২নং বাপাপুং ই ডি চিৰ বনাঞ্চলৰ মাটিৰ প্ৰকাৰ**

| স্থিতি মাপ | ন্যস্ত বনাঞ্চলৰ অৱস্থা | বৃক্ষৰোপিত অন্যান্য এলেকাৰ অৱস্থা |
|---|---|---|
| উৰ্বৰতাৰ পৰ্যায় | ৪.৫-৫ জৈৱিক | প্ৰযোজ্য নহয় |
| ভূমি ক্ষয়ৰ অৱস্থা | ঘৰ্ষণ ভূমিক্ষয় | প্ৰযোজ্য নহয় |
| উপস্থিতি ঃ | | |
| (ক) পলস | ৩৭.৫ শতাংশ | প্ৰযোজ্য নহয় |
| (খ) বোকামাটি | ২৬.৪ শতাংশ | প্ৰযোজ্য নহয় |
| (গ) ন-উৰ্বৰ ভূমি | ২৩.১০ শতাংশ | প্ৰযোজ্য নহয় |
| (ঘ) বালিচাহি | ১৩ শতাংশ | প্ৰযোজ্য নহয় |

**উৎস ঃ প্ৰফৰ্মা-৩, 'খ। বনাঞ্চলৰ মাটিৰ প্ৰকাৰ'** / বন বিভাগৰ বিষয়া আৰু স্থানীয় গাঁওবাসীৰ সৈতে হোৱা আলোচনা।

২নং বাপাপুং ই ডি চিৰ বাবে; বনাঞ্চলৰ মাটিৰ প্ৰকাৰৰ উল্লেখযোগ্য বৈশিষ্ট্যসমূহৰ সাৰাংশ তলত দিয়া হ'ল ঃ

ক) সাৰুৱা

খ) এণ্টিছ'ল

গ) এলফিছ'ল

**১.৩। বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ**

২নং বাপাপুং ই ডি চিৰ বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহৰ নাম তলত উল্লেখ কৰা হ'ল। মন কৰিবলগীয়া যে স্থানীয় বনাঞ্চলসমূহক গ্ৰীষ্ম মণ্ডলীয় অৰ্ধ-চিৰহৰিৎ আৰু গ্ৰীষ্ম মণ্ডলীয় আৰ্দ্ৰ চিৰহৰিৎ বনাঞ্চল হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে।

**তালিকা- ৩ ঃ ২নং বাপাপুং ই ডি চিৰ বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ**

| প্ৰজাতি | স্থানীয় নাম | বৈজ্ঞানিক নাম |
|---|---|---|
| মুখ্য বন প্ৰজাতি | ভেল্কৰ<br>ৰেইন ট্ৰী<br>শিমলু<br>ভেল্কৰ | |
| সংঘভুক্ত | বান্দৰডিমা<br>মৰহাল<br>পমা<br>ভাতঘিলা | |
| গুল্ম | পুতুকলা<br>বাঘঢকা<br>দীঘলতি | |
| ঔষধি উদ্ভিদ | নেফাফু<br>নৰসিংহ<br>হাতীভেকুৰী | |
| উৎপাদন | - | |
| অন্যান্য, যদি আছে | - | - |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, গ** বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহৰ নাম/ বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা

**বনোন্নয়ন পৰিকল্পনাৰ অন্যান্য কাৰ্যসূচী**

তলৰ উপশাখাসমূহত ২নং বাপাপুং ই ডি চিৰ বনোন্নয়ন পৰিকল্পনাৰ অন্যান্য কাৰ্যসূচীসমূহ দিয়া হ'ল ঃ

**জে এফ এম চিৰ অতীতৰ সুৰক্ষা ব্যৱস্থা**

২নং বাপাপুং ই ডি চিত বন সুৰক্ষাৰ বাবে অতীতত কোনো ব্যৱস্থা লোৱা হোৱা নাই।

**উৎস ঃ প্ৰফ'ৰ্মা-৩,** ই ডি চিৰ অৱস্থা-viii + ix/ বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা

**বনজ উৎপাদনৰ ঘৰুৱা চাহিদা**

স্থানীয় সম্প্ৰদায়ৰ ঘৰুৱা চাহিদাৰ বাবে বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীলতাৰ তথ্য তলৰ তালিকাত দাঙি ধৰা হ'ল।

**তালিকা- ৪ (ক) ঃ ২নং বাপাপুং ই ডি চিৰ প্ৰতিটো পৰিয়ালৰ বনজ উৎপাদনৰ ঘৰুৱা চাহিদা**

| বনজ উৎপাদনৰ নাম | পৰিয়ালৰ গড় চাহিদা | | বৰ্তমান কিভাৱে চাহিদা পূৰণ হৈছে | উৎস |
|---|---|---|---|---|
| | চাহিদাৰ সময় ব্যৱধান | আনুমানিক পৰিমাণ | | |
| কাঠখৰি | বছৰজুৰি | ৮০,০০০ | — | স্থানীয় |
| ঘৰৰ বাবে কাঠ | ৩-৪ মাহ | ২,০০০-২,৫০০ চিএফটি | — | স্থানীয় |
| ব্যৱহাৰৰ বাবে সৰু কাঠ | ৰোপণৰ সময়ত | ১০০ চি এফ টি | — | স্থানীয় |
| খুঁটা / বাঁহ | বছৰজুৰি | ২০০০ টুকুৰা | — | স্থানীয় |
| বনাঞ্চলৰ পৰা পশুখাদ্য | বছৰজুৰি | ৪০,০০০-৬০,০০০ | — | স্থানীয় |
| এন টি এফ পি | — | — | — | — |
| অন্যান্য | — | — | — | — |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, তালিকা-৩.২/** বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা

২নং বাপাপুং ই ডি চিত মুঠ ২০২টা পৰিয়াল আছে। ওপৰৰ তালিকা আৰু এই পৰিয়ালৰ সংখ্যাৰ পৰা এইটো দেখা গৈছে যে ২নং বাপাপুং ই ডি চিৰ অন্তৰ্গত দুখন গাঁৰৰ বাবে বছৰি মুঠ বনজ উৎপাদনৰ চাহিদা নিজৰ ব্যৱহাৰৰ বাবে তলত দিয়া ধৰণৰ—

**তালিকা- ৪ (খ ) ঃ ২নং বাপাপুং ই ডি চিৰ সকলো পৰিয়ালৰ বনজ উৎপাদনৰ মুঠ বাৰ্ষিক চাহিদা**

| বনজ উৎপাদনৰ নাম | সম্প্ৰদায়ৰ চাহিদা বাৰ্ষিক কিঃগ্ৰাঃ (*) | মন্তব্য |
|---|---|---|
| কাঠখৰি | ৮০,০০০ | — |
| ঘৰৰ বাবে কাঠ | ২০০০-২৫,০০ চি এফ টি | — |
| সঁজুলিৰ বাবে সৰু কাঠ | ১০০ চি এফ টি | — |
| খুঁটা / বাঁহ | ২০০০ টুকুৰা | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | ৪০,০০০-৬০,০০০ | — |
| এন টি এফ পি | — | — |
| অন্যান্য | — | — |

**উৎস ঃ** ওপৰৰ **তালিকা-৪(খ)** আৰু সম্প্ৰদায় তথ্যৰ মুঠ পৰিয়ালৰ সংখ্যা

(*) = পৰিয়ালসমূহৰ গড় চাহিদাৰ আনুমানিক পৰিমাণ (**তালিকা-৪ (ক)** × — ২০২ পৰিয়াল)

**গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সামগ্ৰী সংগ্ৰহ আৰু বিপণন**

পৰিয়ালৰ ঘৰুৱা ব্যৱহাৰৰ উপৰি এই ধৰণৰ সামগ্ৰী সংগ্ৰহ কৰি স্থানীয় বজাৰত বিক্ৰীৰ জৰিয়তে গাঁওবাসী বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীল। ২নং বাপাপুং ই ডি চিৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণনৰ তথ্য তলৰ তালিকাত উল্লেখ কৰা হ'ল—

**তালিকা- ৫ (ক) ঃ ২নং বাপাপুং ই ডি চিৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণন**

| বনজ উৎপাদনৰ নাম | বিপণনৰ বাবে সংগ্ৰহ | | | সংগ্ৰহৰ স্থান |
|---|---|---|---|---|
| | ঋতু / মাহ | সংগ্ৰহকাৰী পৰিয়ালৰ সংখ্যা | সংগৃহীত সামগ্ৰীৰ গড় পৰিমাণ (কিঃ গ্ৰাঃ) | |
| কাঠখৰি | বছৰজুৰি | ১৮০ | ৩ | স্থানীয় |
| ঘৰৰ বাবে কাঠ | ডিচেম্বৰ-জানু | ১৮০ | ২-৩ | স্থানীয় |
| সঁজুলিৰ বাবে সৰু কাঠ | এপ্ৰিল-মে’ | ১৮০ | ৪৫ | স্থানীয় |
| বাঁহ | ডিচেম্বৰ-জানু | ১৮০ | ২০০০ | স্থানীয় |
| খুঁটা | শীতকালত | ১৮০ | ৭০০ | স্থানীয় |
| বনাঞ্চলৰ পৰা পশুখাদ্য | বছৰজুৰি | ১৮০ | ৪০০০০-৬০০০০ | স্থানীয় |
| এন টি এফ পি | — | — | — | — |
| অন্যান্য | — | — | — | — |

**উৎস ঃ প্ৰফৰ্মা-৩, তালিকা-৩.৩/** বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা

ওপৰৰ তালিকাত উল্লিখিত তথ্যৰ লগত সম্পৰ্কিত কিছু প্ৰাসংগিক তথ্য তলৰ তালিকাত দিয়া হ’ল।

**তালিকা- ৫ (খ) ঃ বনজ উৎপাদন সংগ্ৰহ আৰু বিপণন— অতিৰিক্ত তথ্য ২নং বাপাপুং ই ডি চি**

| বনজ উৎপাদনৰ নাম | উদ্বৃত্ত বিপণন (কিঃ গ্ৰাঃ) | কেনেদৰে বিপণন কৰা হয় | বনজ উৎপাদন বিক্ৰীৰ মাধ্যমেৰে প্ৰতিটো পৰিয়ালৰ গড় আয় |
|---|---|---|---|
| কাঠখৰি | উপলব্ধ নহয় | — | — |
| ঘৰৰ বাবে কাঠ | উপলব্ধ নহয় | — | — |
| ব্যৱহাৰৰ বাবে সৰু কাঠ | উপলব্ধ নহয় | — | — |
| বাঁহ | উপলব্ধ নহয় | — | — |
| লাখুঁটি | উপলব্ধ নহয় | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | উপলব্ধ নহয় | — | — |
| এন টি এফ পি | উপলব্ধ নহয় | — | — |
| অন্যান্য— | উপলব্ধ নহয় | — | — |

**উৎস ঃ প্ৰফৰ্মা-৩, তালিকা-৩.৪/** বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা

**বনজ উৎপাদনৰ মুঠ চাহিদা— ঘৰুৱা ব্যৱহাৰ আৰু বিপণনৰ বাবে**

পূৰ্বে উল্লেখ কৰা উপ-শাখাৰ তথ্যৰ ভিত্তিত ২নং বাপাপুং ই ডি চিৰ সম্প্ৰদায়ৰ সদস্যসকলৰ বনজ উৎপাদনৰ মুঠ চাহিদাৰ সাৰাংশ তলত দিয়া হ'ল।

**তালিকা- ৬ ঃ ২নং বাপাপুং ই ডি চিৰ গাঁওবাসীৰ বনজ উৎপাদনৰ মুঠ চাহিদা**

| **বনজ উৎপাদনৰ নাম** | **সম্প্ৰদায়ৰ চাহিদা (বাৰ্ষিক কিঃ গ্ৰাঃ) তাৰিকা-৪ (খ)ৰ পৰা** | **উদ্বৃত্ত বিপণন কৰা হৈছে তালিকা-৫ (খ)ৰ পৰা** | **মুঠ চাহিদা (কিঃ গ্ৰাঃ)** |
|---|---|---|---|
| কাঠখৰি | ৮০০০০ | উপলব্ধ নহয় | ৮০০০০ |
| ঘৰৰ বাবে কাঠ | ২০০০-২৫০০ চিএফটি | উপলব্ধ নহয় | ২০০০-২৫০০ চি এফ টি |
| ব্যৱহাৰৰ বাবে সৰু কাঠ | ১০০ চি এফ টি | উপলব্ধ নহয় | ১০০ চি এফ টি |
| বাঁহ | ২০০০ | উপলব্ধ নহয় | ২০০০ |
| খুঁটি | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | ৪০০০০-৬০০০০ | উপলব্ধ নহয় | ৪০০০০-৬০০০০ |
| এন টি এফ পি | — | — | — |
| অন্যান্য— | — | — | — |

**উৎস ঃ** এই অধ্যায়ৰ **তালিকা-৪ (খ)** আৰু **৫ (খ),** পূৰ্বৱৰ্তী পৃষ্ঠাত দিয়া হৈছে।

## বন সুৰক্ষা সংক্ৰান্তীয় বিষয়

### সুৰক্ষা সমস্যাসমূহ

২নং বাপাপুং ই ডি চিৰ বনাঞ্চল সুৰক্ষাৰ বিষয়সমূহ সংক্ষিপ্তভাৱে তলত দিয়া হ'ল—

**তালিকা- ৭ ঃ ২নং বাপাপুং ই ডি চিৰ বন সুৰক্ষা সংক্ৰান্তীয় বিষয়সমূহ**

| **সমস্যাৰ ধৰণ** | **প্ৰাসংগিক (হয়/নহয়)** | **গুৰুত্ব (হয়/নহয়)** |
|---|---|---|
| চৰণীয়া পথাৰ-স্থানীয় পশু | হয় | হয় |
| চৰণীয়া পথাৰ- অন্যান্য এলেকাৰ পশু | হয় | হয় |
| বেআইনিভাৱে কাঠকটা | নহয় | নহয় |
| কাঠ চোৰাং চালান | নহয় | নহয় |
| দুৰ্ঘটনাবশতঃ অগ্নিকাণ্ড | নহয় | নহয় |
| বনভূমি বেদখল | নহয় | নহয় |
| অন্যান্য (বন্যপ্ৰাণী চোৰাং চিকাৰ) | নহয় | নহয় |

**উৎস ঃ প্ৰফৰ্মা-৩, তালিকা-৩.৫/** বন বিভাগৰ কৰ্মচাৰী আৰু ই ডি চিৰ সদস্যৰ সৈতে আলোচনা

সেয়েহে, উপৰোক্ত ই ডি চিত বন সুৰক্ষা সংক্ৰান্তীয় বিষয়ত সন্মুখীন হোৱা বৈশিষ্ট্যসমূহ হ'ল—

ক) চৰণীয়া পশুৱে শস্য চপোৱাৰ সময়ত শস্য বিনষ্ট কৰে

খ) জনসংখ্যা বৃদ্ধিৰ কাৰণে মানুহৰ দ্বাৰা ভূমি বেদখল

